# REGIONAL NEWS UNIT
# AKASHVANI, GUWAHATI
0000000000

**Date :** 28-03-2025
**Time :** 18-45 HRS

***Assamese Evening Bulletin***

\- - - - - - - - - - - - - -

১। ম্যানমাৰ আৰু থাইলেণ্ডত আজি ওপৰা-উপৰিকৈ অহা দুটা ভূমিকম্পৰ ফলত কমেও তিনিজন লোক নিহত আৰু ভালেসংখ্যক লোক আহত হোৱাৰ আশংকা।

২। ৫৪ সংখ্যক উত্তৰ-পূব আৰক্ষী একাডেমীৰ দীক্ষান্ত সমাৰোহত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰীৰ ৭০ গৰাকী উপ আৰক্ষী অধীক্ষকক অভিনন্দন জ্ঞাপন।

৩। ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদৰ নিৰ্বাচনৰ প্ৰচাৰ অভিযান তীব্ৰতৰ।

৪। তিনি বছৰতকৈ অধিক সময় ধৰি সম্পত্তি কৰ আদায় নিদিয়াসকলৰ বাবে গুৱাহাটী পৌৰ নিগমৰ দুটা কিস্তিত ধন পৰিশোধৰ বিশেষ ব্যৱস্থা। ***আৰু***

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰু-চেন্নাই ছুপাৰ কিংছৰ মুখামুখি।

০০০০

ম্যানমাৰ আৰু থাইলেণ্ডত আজি ওপৰা-উপৰিকৈ অহা দুটা ভূমিকম্পৰ ফলত কমেও তিনিজন লোক নিহত আৰু ভালেসংখ্যক লোক আহত হোৱাৰ আশংকা কৰা হৈছে। ৰিখটাৰ স্কেলত ৭ দশমিক ৭ আৰু ৬ দশমিক ৪ প্ৰাব্যলৰ এই দুটা ভূমিকম্পৰ জোকাৰণি অসমকে ধৰি উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যকেইখন, উত্তৰ বংগৰ উপৰি চীনৰ দক্ষিণ-পশ্চিম অংশতো অনুভূত হোৱাৰ বাতৰি পোৱা গৈছে। এই ভূমিকম্পত ম্যানমাৰৰ বিভিন্ন অঞ্চলত ভালেমান ক্ষয়-ক্ষতি হোৱাৰ বাতৰি আহিছে। দেশখনৰ উত্তৰ-পশ্চিমৰ ছাগাইঙ নগৰৰ সমীপত অভিকেন্দ্ৰ থকা এই ভূমিকম্পৰ ফলত ম্যানমাৰৰ মাণ্ডালেৰ আভা দলংখন ইৰাবতী নৈত ভাগি পৰাৰ উপৰি কেইবাটাও ভৱন ক্ষতিগ্ৰস্ত হোৱাৰ বাতৰি পোৱা গৈছে। এই স্থানৰ পৰা প্ৰায় ৯০০ কিলোমিটাৰ নিলগৰ থাইলেণ্ডৰ ৰাজধানী বেংককতো ভূমিকম্পৰ শক্তিশালী জোকাৰণি অনুভূত হোৱাৰ ফলত বেংককত নিৰ্মাণৰত অৱস্থাত থকা এটা কেইবা মহলীয়া অট্টালিকা ধ্বংসস্তূপত পৰিণত হয়। দেশখনৰ প্ৰতিৰক্ষা মন্ত্ৰীয়ে সংবাদ মাধ্যমক প্ৰকাশ কৰা অনুসৰি ধ্বংসস্তূপৰ মাজৰ পৰা এতিয়ালৈকে তিনিজন লোকৰ মৃতদেহ উদ্ধাৰ কৰা হৈছে। ইয়াৰ উপৰি ৯০ জন লোক সন্ধানহীন হৈ আছে। বহু অট্টালিকাৰ চাদৰ ওপৰত থকা ছুইমিংপুলসমূহৰ পানী ভূমিকম্পৰ জোকাৰণিত হেন্দালি খাই বহু দূৰলৈ চিটিকি পৰা পৰিলক্ষিত হয়।

ম্যানমাৰৰ ৰাজধানী মহানগৰ নেইপি-টাও আৰু বাণিজ্যিক মহানগৰী মাণ্ডালেইকে ধৰি ম্যানমাৰৰ ছটা খণ্ডত জৰুৰী অৱস্থা ঘোষণা কৰা হৈছে। ম্যানমাৰৰ সামৰিক জুণ্টাই এই ভয়াবহ পৰিস্থিতিৰ সন্মুখীন হোৱাৰ বাবে

আন্তঃৰাষ্ট্ৰীয় সম্প্ৰদায়ৰ পৰা সহায়ৰ আহ্বান জনাইছে। বিশ্ব সম্প্ৰদায়ৰ পৰা নিলগে থকা শাসনাধিস্থিত দেশকনৰ সামৰিক জুণ্টাৰ এই আহ্বানে পৰিস্থিতিৰ ভয়াবহতা সূচাইছে বুলি পৰ্যবেক্ষকসকলে ধাৰণা কৰিছে।

বেংককত থকা ভাৰতীয় দূতাবাসে থাই কৰ্তৃপক্ষৰ সৈতে পৰিস্থিতি সক্ৰিয়ভাৱে নীৰিক্ষণ কৰি আছে।

০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি ৫৪ সংখ্যক উত্তৰ-পূব  আৰক্ষী একাডেমীৰ উপ আৰক্ষী অধীক্ষক প্ৰশিক্ষাৰ্থীৰ দীক্ষান্ত সমাৰোহত অংশগ্ৰহণ কৰি উত্তৰ-পূব খণ্ডত বৰ্তমানৰ দৰেই অনাগত দিনত  শান্তিৰ পৰিৱেশ বাহাল থকাটো সুনিশ্চিত কৰাৰ ক্ষেত্ৰত তেওঁলোকৰ গুৰুত্বপূৰ্ণ ভূমিকাৰ কথা দোহাৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে  তেওঁৰ ভাষণত কয়, যে ১৯ গৰাকী মহিলা বিষয়াকে ধৰি প্ৰশিক্ষণ সমাপ্ত কৰা অসমৰ মুঠ ৬২ গৰাকী বিষয়াৰে ৰাজ্যৰ জিলা আৰু সমজিলা পৰ্যায়ত নিৰাপত্তাৰ দিশটো উন্নত কৰাৰ উপৰি জনঅনুকূল আৰক্ষী ব্যৱস্থা গঢ়ি তুলিব পৰা যাব। ড০ শৰ্মাই আজি এই প্ৰশিক্ষণ পাঠ্যক্ৰম সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ৭০ গৰাকী উপ-আৰক্ষী অধীক্ষকক শুভেচ্ছা জনায়। তেওঁ বিষয়াসকলক জনসাধাৰণৰ প্ৰয়োজনীয়তাৰ প্ৰতি সংবেদনশীল হৈ থাকি অপৰাধৰ বিৰুদ্ধে সামূহিক যুঁজত অংশীদাৰ হ'বলৈ আহ্বান জনায়।

এই দিক্ষান্ত সমাৰোহত অংশগ্ৰহণৰ পাছতে মুখ্যমন্ত্ৰীয়ে সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত বৰ্নিহাটৰ প্ৰদূষণ ৰোধ কৰাৰ ক্ষেত্ৰত অসম আৰু মেঘালয় চৰকাৰৰ দায়বদ্ধতা, ৰাজ্য দুখনৰ মাজৰ সম্প্ৰতি চলি থকা সীমান্ত সমস্যা সমাধানৰ প্ৰচেষ্টাৰ বিষয়ে অৱগত কৰে।

*(বাইট ঃ মুখ্যমন্ত্ৰী)*

০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই উজনি অসমৰ অন্যতম প্ৰধান নগৰ-ডিব্ৰুগড়ক ৰাজ্যৰ দ্বিতীয় ৰাজধানীৰূপে গঢ়ি তোলা হ'ব বুলি ঘোষণা কৰিছে। এই সম্পৰ্কত ডিব্ৰুগড়ৰ নাগৰিকসকলৰ অভিমতৰ ভিত্তিত আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে অহা দেওবাৰে  সন্ধিয়া ৭ বাজি ৪৫ মিনিটত এটা  বিশেষ সংবাদ চলন্তিকা প্ৰচাৰ কৰিব। আকাশবাণীৰ ডিব্ৰুগড়ৰ সংবাদদাতা যাদৱ গগৈৰ সহযোগত অনুষ্ঠানটো প্ৰযোজনা আৰু উপস্থাপন কৰিব ৰাজীৱ লোচন বৰঠাকুৰে।

০০০০

ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদৰ নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ সামৰণিলৈ মাজত মাত্ৰ দুটা দিন বাকী থকা অৱস্থাত ৰাজনৈতিক দলসমূহে প্ৰচাৰ অভিযান তীব্ৰতৰ কৰি তুলিছে। পৰিষদৰ অন্তৰ্গত গোৱালপাৰা আৰু কামৰূপ জিলাৰ নিৰ্বাচন হ'বলগীয়া ৩৩ টা সমষ্টিৰ বাবে বিজেপি, ৰাভা হাছং যৌথ সংগ্ৰাম সমিতি আৰু অসম গণ পৰিষদ দলে ঐক্যবদ্ধভাৱে প্ৰচাৰ অভিযান চলাই আছে। জ্যেষ্ঠ বিজেপি নেতা তথা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি গোৱালপাৰা জিলাৰ পূব অজগৰ সমষ্টিৰ ৰংচাইত বিজেপি সমৰ্থিত ৰাভা-হাছং যৌথ সংগ্ৰাম সমিতিৰ প্ৰাৰ্থী ভুলাইবালা ৰাভাৰ হৈ প্ৰচাৰ অভিযানত অংশ লয়। ডাঃ পেগুৱে তেওঁৰ ভাষণত অহা এপ্ৰিলৰ পৰাই ৰাভা-হাছং এলেকাত ১০৬খন ৰাভা মাধ্যমৰ বিদ্যালয় গঠনৰ কাম আৰম্ভ হ'ব বুলি জানিবলৈ দিয়ে। ইয়াৰ পাছত তেওঁ জিলাখনৰ বান্দৰশ্ৰী সমষ্টিৰ হাবাংগিৰী খেলপথাৰ আৰু ধুপধৰা সমষ্টিৰ দীঘলী ছনজাৰং ক্লাবত দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ সভাত অংশ ল'ব।

পৰিষদৰ অন্তৰ্গত কামৰূপ জিলাৰ ১৪টা সমষ্টিৰ বাবেও প্ৰচাৰ অভিযান তীব্ৰতৰ হৈ উঠিছে। জ্যেষ্ঠ মন্ত্ৰী জয়ন্ত মল্লবৰুৱা আৰু মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে আজি ৩০ নম্বৰ বামুণীগাঁও পৰিষদীয় সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী অজিত ৰাভাৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায়। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কাইলৈ বকোৰ গান্ধী মৈদামত প্ৰচাৰ অভিযানত ভাগ ল'ব।

অহা ২ এপ্ৰিলৰ পুৱা ৭ বজাৰ পৰা বিয়লি ৩ বজালৈ ৰাভা হাছং স্বায়ত্ব শাসিত পৰিষদৰ নিৰ্বাচনৰ ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। ৪ এপ্ৰিলত নিৰ্বাচনৰ ফলাফল ঘোষণা কৰা হ'ব।

০০০০

গুৱাহাটী পৌৰ নিগমে তিনি বছৰতকৈ অধিক সময় ধৰি সম্পত্তি কৰ আদায় নিদিয়াসকলৰ বাবে দুটা কিস্তিত ধন পৰিষোধৰ ব্যৱস্থা কৰিছে। সেই অনুসৰি তিনি বছৰতকৈ অধিক সময় ধৰি কৰ আদায় নিদিয়াসকলে সম্পত্তি কৰৰ মুঠ পৰিমাণৰ ৫০ শতাংশ কৰ কাইলৈ, পৰহিলৈ আৰু ৩১ মাৰ্চ অৰ্থাৎ সোমবাৰে নিগমৰ উজান বজাৰৰ কাৰ্যালয়ত জমা দিব পাৰিব। বাকী থকা ৫০ শতাংশ কৰ এপ্ৰিল, মে' আৰু জুনৰ ভিতৰত জৰিমনাসহ দিব পাৰিব বুলি গুৱাহাটী পৌৰ নিগমৰ মেয়ৰ মৃগেন শৰণীয়াই জানিবলৈ দিয়ে।

*(বাইট ঃ মৃগেন শৰণীয়া)*

০০০০

গুৱাহাটীৰ এটা পোৰ্টেল চেনেলৰ সাংবাদিক তথা গুৱাহাটী প্ৰেছ ক্লাবৰ সহকাৰী সাধাৰণ সম্পাদক দিলোৱাৰ হুছেইন মজুমদাৰক আজি বিয়লি আৰক্ষীয়ে কামৰূপ মহানগৰ জিলাৰ মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতত হাজিৰ কৰোৱায়। চৰকাৰী বিষয়াৰ বিৰুদ্ধে আপত্তিজনক শব্দ ব্যৱহাৰৰ অভিযোগত এপেক্স বেংকৰ কাৰ্যালয়ৰ পৰা যোৱা ২৫ মাৰ্চত গ্ৰেপ্তাৰ কৰা সাংবাদিকগৰাকীক কালি পুনৰ আৰক্ষীয়ে আন এটা গোচৰত গ্ৰেপ্তাৰ কৰিছিল। আৰক্ষীয়ে সাংবাদিকগৰাকীক অধিক সোধাপোছাৰ বাবে সাত দিনৰ বাবে আৰক্ষীৰ জিম্মাত বিচাৰি কৰা আবেদনৰ শুনানি সম্পূৰ্ণ হৈছে যদিও বাতৰি লিখাৰ পৰলৈকে এই সন্দৰ্ভত আদালতে এতিয়াও কোনো ৰায় দিয়া নাই। ইপিনে, অভিযুক্ত মজুমদাৰে পাণবজাৰ থানাত তেওঁৰ বিৰুদ্ধে ৰুজু হোৱা প্ৰথমটো গোচৰৰ জামিন বিচাৰি আজি এখন আবেদন দাখিল কৰে। এই আবেদনৰ শুনানিও আজি গ্ৰহণ কৰা হয়।

ইপিনে গুৱাহাটী প্ৰেছ ক্লাবে আজি এখন জৰুৰী কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত কৰি সাংবাদিক মজুমদাৰক পুনৰ গ্ৰেপ্তাৰ কৰাৰ পাছৰ পৰিস্থিতি পৰ্যালোচনা কৰি আজিৰে পৰা ৩০ মাৰ্চলৈ সকলো সাংবাদিককে কৰ্তব্যৰ সময়ত ক'লা বেজ পৰিধান কৰিবলৈ আহ্বান জনায়।

০০০০

অসম বিজ্ঞান সমিতি ধেমাজি শাখাৰ উদ্যোগত আৰু ধেমাজি উচ্চতৰ মাধ্যমিক বালিকা বিদ্যালয়ত দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত কেছুসাৰ প্ৰস্তুতকৰণ, গোটা আৱৰ্জনা ব্যৱস্থাপনা আৰু বৰষুণৰ পানী সংৰক্ষণ বিষয়ক জিলা পৰ্যায়ৰ প্ৰশিক্ষণ কৰ্মশালাৰ আজি সামৰণি পৰে। ভাৰত চৰকাৰৰ পৰিবেশ বিজ্ঞান আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰালয়ৰ পৃষ্ঠপোষকতাত অসম বিজ্ঞান প্ৰযুক্তিবিদ্যা আৰু পৰিবেশ পৰিষদৰ সৌজন্যত আয়োজিত কৰ্মশালাত জিলাখনৰ ৪৫ খন বিদ্যালয়ৰ ৯০ গৰাকী শিক্ষকে অংশগ্ৰহণ কৰে।

০০০০

তেজপুৰৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ বালিকা মহাবিদ্যালয়ত আজি ৰাষ্ট্ৰীয় কৃতজ্ঞতা আৰু সজাগতা কাৰ্যসূচী অনুষ্ঠিত হয়। এই কাৰ্যসূচীত বালিকা মহাবিদ্যালয়খনৰ লগতে তেজপুৰ বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ৰ দুশৰো অধিক শিক্ষাৰ্থীয়ে অংশ গ্ৰহণ কৰে।

অসমৰ ৰাজ্যপাল লক্ষ্মন প্ৰসাদ আচাৰ্য্যৰ উদ্যোগত আয়োজিত কাৰ্যসূচীত দেশৰ অখণ্ডতা আৰু সাৰ্বভৌমত্ব ৰক্ষাত দেশৰ সেনা বাহিনীয়ে আগবঢ়োৱা গুৰুত্বপূৰ্ণ অৱদানৰ ওপৰত আলোকপাত কৰা হয়। এই কাৰ্যসূচীত সেনা বাহিনীৰ কেইবাগৰাকীও উচ্চ পদস্থ বিষয়া উপস্থিত থাকে।

০০০০

শ্ৰোতাসকলৰ বিপুল দাবীৰ প্ৰতি সঁহাৰি জনাই আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ জনপ্ৰিয় অনুষ্ঠান **'জিলাৰ ৰেহৰূপ'** পুনৰ সন্ধিয়াৰ পৰিৱৰ্তে পুৱাৰ ভাগত প্ৰচাৰৰ দিহা কৰা হৈছে। সেই অনুসৰি অহা ১ এপ্ৰিলৰ পৰা জিলাৰ ৰেহৰূপ অনুষ্ঠান প্ৰতিদিনে পুৱাৰ আঞ্চলিক বাতৰিৰ ঠিক পাছতেই অৰ্থাৎ ৯ বাজি ১৫ মিনিটৰ পৰা ৯ বাজি ২০ মিনিটলৈ প্ৰচাৰিত হ'ব।

০০০০

আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগে কাইলৈ গুৱাহাটীৰ দিছপুৰ লাষ্টগেটৰ লোকনিৰ্মাণ বিভাগৰ সন্মিলন ভৱনত 'আপুনি কেনে আছে' শীৰ্ষক এটা বিশেষ অন্তৰংগ অনুষ্ঠানৰ আয়োজন কৰিছে। দিনৰ চাৰে ১০ বজাৰ পৰা হ'বলগীয়া এই অনুষ্ঠানত আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ ছটা দশকৰ নজহা-নপমা স্মৃতি ৰোমন্থনৰ লগতে কেইবাগৰাকীও প্ৰাক্তন বাতৰি পৰিৱেশক-পৰিৱেশিকা, সম্পাদক আৰু বিষয়াই বৰ্তমানৰ বাতৰি বিভাগৰ কৰ্মীসকলৰ সৈতে অন্তৰংগ আলাপত ভাগ ল'ব। এই অনুষ্ঠান আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ ফে'চবুক পে'জ airnewsguwahati যোগেও পোনপতীয়াকৈ প্ৰচাৰৰ দিহা কৰা হৈছে। অনুষ্ঠানটিৰ নিৰ্বাচিত অংশ কাইলৈ নিশা ৮ বাজি ২ মিনিটত প্ৰচাৰিত দৃষ্টিপাত অনুষ্ঠানত শুনিবলৈ পাব।

০০০০

কেন্দ্ৰীয় চৰকাৰে ইয়াৰ কৰ্মচাৰী আৰু পেঞ্চনভোগীসকললৈ মৰগীয়া বানচৰ আৰু এটা কিস্তি মঞ্জুৰ কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত আজি অনুষ্ঠিত কেন্দ্ৰীয় মন্ত্ৰীসভাৰ বৈঠকত এইবছৰৰ পহিলা জানুৱাৰীৰ পৰা কাৰ্যকৰী হোৱাকৈ চাকৰিয়ালসকলৰ বাবে অতিৰিক্ত ২ শতাংশ মৰগীয়া বানচ মোকলাই দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। ইয়াকে লৈ কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰী আৰু পেঞ্চনভোগীসকলৰ মৰগীয়া বানচ মূল দৰমহাৰ ৫৩ শতাংশ হ'ব। চৰকাৰৰ এই সিদ্ধান্তৰ ফলত ৰাজকোষৰ পৰা বছৰি অতিৰিক্ত ছহেজাৰ ৬১৪ কোটি ৪০ হাজাৰ টকা ব্যয় হ'ব। ইয়াৰ দ্বাৰা প্ৰায় ৪৮ লাখ ৬৬ হাজাৰ কৰ্মচাৰী আৰু ৬৬ লাখ ৫৫ হাজাৰ পেঞ্চনভোগী উপকৃত হ'ব বুলি এখন চৰকাৰী বিজ্ঞপ্তিত কোৱা হৈছে।

০০০০

সমগ্ৰ ৰাজ্যতে অহা ১ এপ্ৰিলৰ পৰা ১৭ জুলাইলৈকে স্বাস্থ্য মেলা অনুষ্ঠিত হব। ইয়াৰ বাবে ৰাজ্যৰ স্বাস্থ্য বিভাগে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে। ধেমাজি জিলাতো ৬৫ খন গাওঁ পঞ্চায়ত আৰু ২ খন পৌৰসভাত একোখনকৈ স্বাস্থ্য মেলা অনুষ্ঠিত হ'ব। ৰাজ্যৰ স্বাস্থ্য মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে সেইদিনা ধেমাজিৰ জামুগুৰি পাঁচআলি উচ্চতৰ

মাধ্যমিক বিদ্যালয়ৰ চৌহদত হ'বলগীয়া স্বাস্থ্য মেলা মুকলি কৰিব। ধেমাজি জিলা যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডাঃ কুলেন চন্দ্ৰ বৰগোহাইয়ে আজি এখন সংবাদমেলত এইকথা জানিবলৈ দিয়ে। এই কাৰ্যসূচীত ধেমাজি জিলা অভিভাৱক মন্ত্ৰী প্ৰশান্ত ফুকনৰ লগতে সাংসদ প্ৰদান বৰুৱাই অংশগ্ৰহণ কৰাৰ কথা। এই স্বাস্থ্য মেলাত জিলাৰ শিক্ষা, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, সমাজ কল্যান, জনস্বাস্থ্য কাৰিকৰী বিভাগৰ সহযোগত আয়োজন কৰাৰ বাবে ব্যাপক প্ৰস্তুতি চলোৱা হৈছে বুলি জিলা অতিৰিক্ত আয়ুক্ত ড০ সঞ্জীৱ কুমাৰ ফুকনে জানিবলৈ দিছে। স্বাস্থ্য মেলাৰ জৰিয়তে স্বাস্থ্য বিভাগৰ বিভিন্ন চৰকাৰী আঁচনিৰ লগতে সংক্ৰামক ৰোগ চিনাক্তকৰণ, ৰোগ পৰীক্ষণ, খাদ্যাভ্যাস, শৰীৰ চৰ্চা, যোগাভ্যাস আদিৰ সন্দৰ্ভত জনসাধাৰণক অৱগত কৰা হ'ব।

কাৰ্বি আংলং জিলা স্বাস্থ্য সমিতি আৰু জিলা স্বায়ত্ত শাসিত পৰিষদৰ উদ্যোগত পৰিষদীয় সমষ্টিৰ ভিত্তিত স্বাস্থ্য মেলা অনুষ্ঠিত হ'ব। কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ নতুন সচিবালয়ত আয়োজিত সংবাদমেলত জিলা স্বাস্থ্য সেৱাৰ যুটীয়া সঞ্চালক বৰসিং ৰংপিয়ে এইকথা জানিবলৈ দিয়ে। জিলাখনৰ লুম্বাজং পৰিষদীয় সমষ্টিৰ অন্তৰ্গত লাংচলিয়েট উচ্চ মাধ্যমিক বিদ্যালয়ত এই কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হ'ব। তেওঁ জানিবলৈ দিয়া অনুসৰি ২৬ টা পৰিষদীয় সমষ্টিতে একোখনকৈ স্বাস্থ্য মেলা অনুষ্ঠিত হ'ব। এই স্বাস্থ্য মেলাত চিকিৎসকসকলে জনসাধাৰণৰ স্বাস্থ্য পৰীক্ষা কৰাৰ অন্তত প্ৰতিগৰাকী ব্যক্তিকে একোখনকৈ স্বাস্থ্য পৰিচয়পত্ৰ প্ৰদান কৰিব।

০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি চেন্নাইত হ'বলগীয়া এখন খেলত ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰু চেন্নাই ছুপাৰ কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০

বৰপেটা জিলা ক্ৰীড়া সন্থাৰ খেলপথাৰত আজিৰে পৰা ১৪ বছৰ অনুৰ্ধ আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতা আৰম্ভ হৈছে। অসম ক্ৰিকেট সন্থাৰ উদ্যোগ আৰু বৰপেটা জিলা ক্ৰীড়া সন্থাৰ সহযোগত এই প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। বৰপেটা আৰু বজালী জিলাৰ মাজত অনুষ্ঠিত আজিৰ উদ্বোধনী খেলত বৰপেটা জিলাই জয়লাভ কৰে।

০০০০

ঃঃ সমাপ্ত ঃঃ